# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ৫ মাৰ্চত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা বদৰি চাহাবী হজৰত উচমান (ৰাঃ)ৰ প্ৰশংসনীয় পৱিত্ৰ গুণাৱলী সম্পৰ্কে ঈমান উদ্দীপক চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউয আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উচমান (ৰাঃ)ৰ বিৰুদ্ধে যি প্ৰতিবাদ আৰু বিবাদে মূৰ দাঙি উঠিছিল সেই সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে মহম্মদ বিন আবু বক্কৰ,মহম্মদ বিন হুজায়ফা আৰু আম্মাৰ বিন ইয়াছিৰ এই তিনিও জন লোকে বিদ্ৰোহী সকলৰ কথাত সমৰ্থন জনাইছিল আৰু তেওঁলোকৰ লগত যোগ দিছিল। এওঁলোক তিনিজনৰ বাহিৰে মদিনাৰ আন কোনো লোকে বিসম্বাদী সকলক সহায় কৰা নাছিল বৰং প্ৰত্যেক জনেই সিহঁতক সমালোচনা কৰিছিল। কিন্তু সেই বিদ্ৰোহী সকলে কাৰো সমালোচনা ভ্ৰূক্ষেপ কৰা নাছিল। প্ৰায় বিশ দিন পৰ্যন্ত বিৰোধী লোক সকলে কেৱল মুখে মুখে চেষ্টা কৰিছিল যে কেনেবাকৈ হজৰত উচমান খিলাফতৰ পৰা যেন আঁতৰি যায়। কিন্তু হজৰত উচমান (ৰাঃ)য়ে বিষয়টো অস্বীকাৰ কৰিছিল আৰু কৈছিল যে যি পিৰহান (কামিজ) খোদা তা'লা মোক পিন্ধাইছে, মই সেয়া খুলি পেলাব নোৱাৰো আৰু মই উম্মতে মহম্মদীয়াক আশ্ৰয়হীন অৱস্থাত এৰি দিব নোৱাৰো যে যিটো যাৰ মন যায় কৰে,আৰু বেলেগৰ ওপৰত অত্যাচাৰ কৰে। সেই বিসম্বাদী লোক সকলও বুজনি দিছিল যে সিহঁতে যেন বিবাদ পৰিহাৰ কৰে। তেখেত (ৰাঃ)য়ে কৈছিল যে আজি এওঁলোকে আন্দোলন কৰি আছে আৰু মোৰ জীৱনৰ ওপৰত বেজাৰ পাইছে। কিন্তু যেতিয়া মই নেথাকিম তেতিয়া এওঁলোকৰ মনত পৰিব যে হায় ! উচমানৰ জীৱনৰ এটা দিন যদি এটা এটা বছৰলৈ সলনি হৈ গ'লহেঁতেন আৰু তেওঁ যদি আমাৰ পৰা বিদায় নললেহেঁতেন। কাৰণ মই যোৱাৰ পিছত মৰ্মান্তিক খুনখুনী হানাহানি হ'ব (তেজৰ নৈ বৈ যাব) আৰু সকলোৰে অধিকাৰ খৰ্ব হ'ব, ব্যৱস্থাপনাও ক'ৰ পৰা কলৈ হৈ যাব। সেই অনুসাৰেই বনু উমিয়াৰ যুগত খিলাফত এক শাসন (হুকুমত) লৈ পৰিৱৰ্তিত হৈছিল আৰু সেই বিদ্ৰোহী সকলে এনেকুৱা শাস্তি পাইছিল যে দুষ্টালিয়ে সিহঁতক পাহৰি গৈছিল।

যিয়েই নহওঁক বিশ দিন পাৰ হৈ যোৱাৰ পিছত সেই বিদ্ৰোহী সকলৰ মনত পৰিছিল যে অতি সোনকালে কিবা এটা সিদ্ধান্ত লোৱা উচিত যাতে এনেকুৱা নহয় যে ৰাজ্য সমূহৰ পৰা ফৌজ আহি যায় আৰু আমি আমাৰ কৰ্ম অনুযায়ী

শাস্তি ভুগিব লাগে। এই সিদ্ধান্ত অনুযায়ী সেই বিসম্বাদী সকলে হজৰত উচমান (ৰাঃ)ক নিজৰ ঘৰতে অৱৰোধ কৰি ৰাখিলে আৰু ঘৰৰ পৰা ওলোৱা বন্ধ কৰি দিলে। আনহাতে খাদ্য,পানী ইত্যাদি ভিতৰলৈ নিয়াটো বন্ধ কৰিলে। এনে অৱস্থাৰ সৃষ্টি কৰি বিদ্ৰোহী সকলে পৰিকল্পনা ৰচিছিল যে নিশ্চয় হজৰত উচমান (ৰাঃ)য়ে বাধ্য হৈ আমাৰ দাবী মানি ল'ব। কিন্তু হজৰত উচমান (ৰাঃ) য়ে কৈছিল যে যি কামিজ (পিৰহান) আল্লাজ তা'লা মোক পিন্ধাইছে সেয়া মই কোনো পধ্যেই খুলিব নোৱাৰো। সেই সময়ত মদিনাৰ ব্যৱস্থাপনাৰ ভাগডোৰ বিসম্বাদী সকলৰ হাততেই আছিল আৰু তেওঁলোকে মিলি মিচৰৰ সৈন্যদলৰ চৰ্দাৰ গাফকিক নিজৰ চৰ্দাৰ হিচাপে মানি লৈছিল। ইয়াৰ দ্বাৰা এই কথাখিনি প্ৰমাণিত হৈছিল যে এই বিবাদৰ মূলতে মিচৰি সকলেই আছিল য'ত আব্দুল্লাহ বিন ছাবা কাম কৰি আছিল। হজৰত উচমান (ৰাঃ) ৰ ঘৰ অৱৰোধ কৰি লোৱাৰ পিছত তেওঁলোকে বেলেগ লোকৰ ওপৰতও জুলুম কৰিবলৈ আৰম্ভ কৰিছিল। তেতিয়া মদিনা দাৰুল আমানৰ সলনি দাৰুল হাৰব হৈ পৰিছিল। মদিনাৰ মান সন্মান আৰু নিৰাপত্তাৰ বিপদজনক হৈ পৰিছিল। আৰু কোনেও অস্ত্ৰ-শস্ত্ৰ নোলোৱাকৈ ঘৰৰ বাহিৰলৈ ওলোৱা নাছিল। এনেদৰে যিজনেই তেওঁলোকৰ মোকাবিলা কৰিছিল তাকেই তেওঁলোকে হত্যা কৰি পেলাইছিল। যেতিয়া বিদ্ৰোহী সকলে হজৰত উচমান (ৰাঃ)ক ঘেৰাও কৰি লৈছিল আৰু পানী পৰ্যন্ত ভিতৰলৈ লৈ যোৱাত বাধা প্ৰদান কৰিছিল তেতিয়া হজৰত উচমান (ৰাঃ)য়ে নিজৰ প্ৰতিবেশী ল'ৰা এজনক হজৰত আলি (ৰাঃ)আৰু হজৰত তালহা (ৰাঃ)আৰু হজৰত জাবিৰ (ৰাঃ)আৰু উন্মাহাতুল মোমিনিন সকলৰ ওচৰলৈ পঠাই খবৰ দিছিল যে বিক্ষোপকাৰী সকলে আমাৰ পানীও বন্ধ কৰি ৰাখিছে, আপোনালোকে পাৰে যদি তেন্তে চেষ্টা কৰক আৰু আমালোকলৈ পানী পঠাই দিয়ক। পুৰুষ সকলৰ ফালৰ পৰা প্ৰথমে হজৰত আলি (ৰাঃ)য়ে আহি অৱৰোধকাৰী সকলক বুজাইছিল যে তোমালোকে এয়া কেনে আচৰণ কৰি আছা ? তোমালোকৰ কাৰ্য দেখোন মোমিনৰ কাম হোৱা নাই আৰু কাফিৰৰ কামও হোৱা নাই। হজৰত উচমানৰ ঘৰলৈ খাদ্য,পানী লৈ যোৱাত বাধা নিদিবা। ৰোম আৰু ফাৰ্চী সকলেও কয়েদী (বন্দী) সকলক আহাৰ খুৱায়, আৰু পানী পান কৰিবলৈ দিয়ে আৰু ইছলামী অনুশাসন অনুযায়ী তোমালোকৰ এই কাৰ্য কোনো পধ্যেই বৈধ নহয়। হজৰত উচমান (ৰাঃ)য়ে তোমালোকৰ এনেকুৱা কি অন্যায় কৰিছে যে তোমালোকে তেখেতক বন্দী কৰিবলৈ আৰু হত্যা কৰাটো বৈধ বুলি ভাৱি আছা? হজৰত আলি (ৰাঃ)ৰ এই বুজনিয়ে তেওঁলোকৰ ওপৰত কোনো ধৰণৰ প্ৰভাৱ পেলাব পৰা নাছিল। তেওঁলোকে স্পষ্টকৈ কৈছিল যে যি হয় হৈ যাওঁক, আমি সেই ব্যক্তিজনলৈ দানা পানী লৈ যাবলৈ নিদিওঁ। এয়া আছিল সেই উত্তৰ যি তেওঁলোকে সেই ব্যক্তিক শুনাইছিল, যিজনক তেওঁলোকে ৰছুলে কৰিম (ছাঃ)ৰ অচিয়ত প্ৰাপ্ত আৰু প্ৰকৃত উত্তৰাধিকাৰী হিচাপে নিৰ্ধাৰণ কৰিছিল।

হজৰত উচমান (ৰাঃ)য়ে উপলব্দি কৰিব পাৰিছিল যে এওঁলোকে (বিদ্ৰোহী সকলে) ভালে ভালে মানি নলয়। তেতিয়া তেখেত (ৰাঃ)য়ে সকলো ৰাজ্যৰ নেতৃবৰ্গলৈ এখন এখনকৈ পত্ৰ প্ৰেৰণ কৰিছিল, যাৰ বৰ্ণনাৰ মূল ভাৱ আছিল এয়া যে হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ)ৰ পিছত কোনো ধৰণৰ ইচ্ছা অথবা আবেদন নোহোৱাকৈ মোক সেই লোক সকলৰ লগত চামিল কৰি লোৱা হৈছিল, যি সকলক খিলাফত সম্পৰ্কে সিদ্ধান্ত লোৱাৰ দায়িত্ব দিয়া হৈছিল। ইয়াৰ পিছত মোৰ ইচ্ছা আৰু কোনো ধৰণৰ আবেদন নোহোৱাকৈয়ে মোক খিলাফতৰ বাবে নিৰ্বাচিত কৰা হয় আৰু মই পোনে পোনে সেই কামবোৰেই সম্পাদন কৰি গৈ আছো, যিবিলাক কাম মোৰ আগৰ খলিফা সকলে কৰি গৈছে। মই মোৰ ফালৰ পৰা কোনো ধৰণৰ বিদাআতৰ জন্ম দিয়া নাই। কিন্তু কিছুমান লোকৰ অন্তৰত গোনাহৰ বীজ বপন কৰা হৈছে আৰু দুষ্টালিয়ে ঠাই পাইছে। তেওঁলোকে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰমূলক আন্দোলনৰ সুত্ৰপাত ঘটাইছে। লোকৰ আগত দেখুৱাইছে এটা আৰু হৃদয়ত লুকাই ৰাখিছে। বেলেগ

পৰিকল্পনা আৰু মোৰ ওপৰত দোষ জাপি দিবলৈ আৰম্ভ কৰিছে, যিবোৰ মোৰ আগৰ খলিফা সকলৰ ওপৰতও লগোৱা হৈছিল। কিন্তু মই সেইবোৰ জানিও মনে মনে আছো। আৰু এওঁলোকে মোৰ কৃপা সুলভ আচৰণৰ সুযোগ লৈ দুষ্টামি কৰাত বেছিকৈ আগবাঢ়ি গৈছে আৰু অৱশেষত কাফিৰ সকলৰ দৰে মদিনা আক্ৰমণ কৰিছে। গতিকে আপোনালোকে যদি কিবা কৰিব পাৰে তেন্তে সহায় আগবঢ়োৱাৰ ব্যৱস্থা কৰক। এনেদৰে হাজি সকলৰ নামতও এখন পত্ৰ লিখিছিল। যাৰ বৰ্ণনাৰ মূলভাৰ আছিল এনেদৰে যে মই আপোনালোকক খোদা তা'লাৰ কথা মূলভাৰ আছিল এনেদৰে যে মই আপোনালোকক খোদা তা'লাৰ কথা মনত পেলাই দিওঁ আৰু তাৰ পুৰস্কাৰৰ কথা মনত পেলাই দিছো। মনত পেলাই দিওঁ আৰু তাৰ পুৰস্কাৰৰ কথা মনত পেলাই দিছো। বৰ্তমানে কিছুমান লোকে কাজিয়াত উচটনি দিবলৈ আৰম্ভ কৰিছে আৰু ইছলামত এটা বিভাজন সৃষ্টি কৰাৰ প্ৰচেষ্টা চলাই আছে। কিন্তু তেওঁলোকে এয়া চিন্তা কৰা নাই যে খোদা তা'লাইহে খলিফা পাতে আৰু মোৰ ওপৰত দোষ জাপি দিয়া লোকৰ কথাহে শুনিবলৈ লৈছে। তেওঁলোকে কোৰ-আন কৰিমৰ এই আদেশলৈ কানসাৰ কৰা নাই, য'ত আছে

يَاَيُّهَا الَّذِيْنَ اٰمَنُوْٓا اِنْ جَآءَكُمْ فَاسِقٌۢ بِنَبَاٍ فَتَبَيَّنُوْٓا

অৰ্থাৎ হে মোমিন সকল ! যদি তোমালোকলৈ কোনো প্ৰবঞ্চকে (ফাছিক) গুৰুত্বপূৰ্ণ খবৰ এটা লৈ আনে, তেন্তে সেয়া অনুসন্ধান কৰি চাবা আনহাতে মোৰ আৰু মোৰ বয়াতৰও সন্মান কৰা নাই যিহেতু আল্লাহ তা'লা ৰছুলে কৰিম (ছাঃ)ৰ সম্পৰ্কে কৈছে যে,

اِنَّ الَّذِيْنَ يُبَايِعُوْنَكَ اِنَّمَا يُبَايِعُوْنَ اللّٰهَ

অৰ্থাৎ সেই লোকসকল ! যিসকলে তোমাৰ বয়াত কৰে; সেই সকলে কেৱল আল্লাহৰ বয়াত কৰে। মই ৰছুলে কৰিম (ছাঃ)ৰ নায়েব (সহকাৰী) হওঁ; কোনো উম্মতেই (সম্প্ৰদায়েই) নেতা নোহোৱাকৈ উন্নতি সাধন কৰিব নোৱাৰে আৰু যদি কোনো ইমাম নেথাকে তেন্তে জমাতৰ সকলো কাম বিনষ্ট হৈ যাব। এওঁলোকে উম্মতে ইছলামীয়াক ধ্বংস কৰিব বিচাৰিছে। ইয়াৰ বাহিৰে তেওঁলোকৰ বেলেগ কোনো উদ্দেশ্য নাই তেওঁলোকৰ দাবী মানি লৈছিলো আৰু নেতৃবৰ্গক সাল-সলনি কৰাৰ প্ৰতিশ্ৰুতি দিছিলোঁ; তথাপি তেওঁলোকে চয়তানী কৰিবলৈ এৰি দিয়া নাই। তেওঁলোকে এতিয়া তিনিটা বিষয়ৰ মাজত এটা বিষয়ে দাবী উত্থাপন কৰি আছে। প্ৰথম হ'ল এয়া যে যিসকল লোকক মোৰ খিলাফৎ কালত শাস্তি বিহা হৈছে; সেই সকলোৰে প্ৰতিশোধ মোৰ ওপৰত লোৱা হ'ব। যদি মই তাত সন্মত নহওঁ তেন্তে খিলাফৎ এৰি দিব লাগিব আৰু এওঁলোকে মোৰ সলনি বেলেগ এজনক খিলাফতত অধিষ্ঠিত কৰাব। এয়াও যদি মই মানি নলও তেন্তে তেওঁলোকে ধমকি দি আছে যে তেওঁলোকে নিজৰ লগত একমত থকা লোক সকলক আহ্বান জনাব যে তেওঁলোকে সকলোৰে যেন মোৰ আনুগত্যৰ পৰা বাহিৰ ওলাই যায়।

প্ৰথম কথাৰ উত্তৰ হ'ল এয়া যে মোৰ আগৰ খলিফা সকলেও কেতিয়াবা সিদ্ধান্ত লোৱাত ভুল কৰিছিল কিন্তু তেওঁলোকক তাৰ বাবে শাস্তি দিয়া হোৱা নাছিল। এই কথাটোৰ অৰ্থ কেৱল এয়াই ওলায় যে তোমালোকে মোক মাৰিব বিচাৰিছা। আকৌ কৈছিল যে খিলাফতৰ আসনৰ পৰা অপসাৰিত হোৱাৰ উত্তৰ মোৰ ফালৰ পৰা হ'ল এয়া যে যদি এওঁলোকে মোক খুৰেৰে কাটি টুকুৰা-টুকুৰ কৰি পেলায়; তাৰ বাবে মই সাজু আছো কিন্তু মই খিলাফত এৰি দিব নোৱাৰো। বাকী থাকিল তিনি নম্বৰ কথা যে তেওঁলোকে নিজৰ লোক সকলক আহ্বান জনাব যে কোনেও যেন মোৰ কথা মানি নলয়। এনে ক্ষেত্ৰত মই খোদা তা'লাৰ ফালৰ পৰা দায়ী নহয়। যিজনে নিজৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰিব বিচাৰে মই তাৰ সেই কাৰ্যত সন্তুষ্ট নহয় আৰু খোদা তা'লাও সন্তুষ্ট নহয়। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে তেতিয়া হজৰ দিন ওচৰ চাপি আহিছিল আৰু চাৰিও ফালৰ পৰা মানুহ আহি মক্কাত

গোট খাবলৈ লৈছিল। হজৰত উচমান (ৰাঃ)য়ে এই ধাৰণাৰে যে বিদ্ৰোহী সকলে যাতে তাত কোনো ধৰণৰ কাজিয়াৰ সৃষ্টি নকৰে সেয়ে হজৰত আব্দুল্লাহ বিন আববাছক হজ্বৰ আমিৰ বনাই তালৈ পঠিয়াই দিছিল। হজৰত উচমান (ৰাঃ)য়ে ওপৰত উল্লেখিত পত্ৰ হজৰত আব্দুল্লাহৰ হাতত পঠিয়াই দিছিল। যেতিয়া এই পত্ৰ সম্পৰ্কে আন্দোলনকাৰী সকলে গম পাইছিল তেতিয়া তেওঁলোকে আৰু বেছি অত্যাচাৰ আৰম্ভ কৰিছিল আৰু এই সুযোগ বিচাৰি ফুৰিছিল যে কেনেবাকৈ যেন কাজিয়া কৰাৰ চেলু বিচাৰি পায় আৰু হজৰত উচমান (ৰাঃ)ক শ্বহীদ কৰি দিব পাৰে। কিন্তু সিহঁতৰ সকলো চেষ্টা ব্যৰ্থ হৈ পৰিছিল। হজৰত উচমান (ৰাঃ)য়ে তেওঁলোকক দুষ্টামি কৰাৰ কোনো সুযোগ দিয়া নাছিল। অৱশেষত বিদ্ৰোহী সকলে উপায়হীন হৈ এনে বুদ্ধি পাঙিছিল যে ৰাতিৰ বেলিকা হজৰত উচমান (ৰাঃ)ৰ ঘৰৰ ওপৰত শিল গুটি দলিয়াব যাতে অধৈৰ্য্য হৈ তেখেতেও ওলটাই শিলগুটি দলিয়ায়; তেতিয়া শত্ৰু সকলে ক'ব পাৰিব যে চোৱা, হজৰত উচমানে আমাক আক্ৰমণ কৰিছে। কিন্তু হজৰত উচমান (ৰাঃ)য়ে নিজৰ সকলো পৰিয়াল বৰ্গক ইয়াৰ পৰিপেক্ষিতে সমানে উত্তৰ দিবলৈ বাধা দিছিল। যদিও চাহাবা সকলক তেতিয়া হজৰত উচমান (ৰাঃ)ৰ কাষত গোট খাবলৈ দিয়া হোৱা নাছিল তথাপি তেওঁলোকে নিজৰ দায়িত্ব পালনত গাফিলতি কৰা নাছিল। যিসকল বয়সস্ত লোক আছিল তেওঁলোকে নিজৰ দক্ষতাখিনি লোকক বুজনি দিয়াত খৰচ কৰিছিল আৰু যিসকলে তেনেকুৱা কোনো ধৰণৰ প্ৰভাৱশালী নাছিল, নাইবা যুৱক আছিল; তেওঁলোকে হজৰত উচমান (ৰাঃ)ক ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে চেষ্টা কৰিছিল। হজৰত উচমান (ৰাঃ)য়ে বিচৰা নাছিল যে তেখেতৰ প্ৰাণ ৰক্ষাৰ্থে অনৰ্থক চাহাবা সকলৰ প্ৰাণ যায়, আৰু সকলোকে এয়া উপদেশ কৰিছিল যে বিদ্ৰোহী সকলৰ লগত কাজিয়া নকৰিবা। এনেকি তেখেতে বিচাৰিছিল যে যিমানদুৰ সম্ভৱ হয় ভৱিষ্যতলৈ বিবাদ দূৰীকৰনাৰ্থে সেই জমাত নিৰাপদ থাকক; যি জমাতে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সঙ্গ লাভ কৰিছিল। ইয়াৰ পিছত সেই সময়ও আহি গৈছিল যে বিদ্ৰোহী সকলে হজৰত উচমান (ৰাঃ)ৰ ওপৰত আক্ৰমণ চলাব কাৰণ হজৰত উচমান (ৰাঃ)য়ে দিয়া হৃদয় কঁপি উঠা খবৰ যি তেখেতে হজ্ব প্ৰাঙ্গনত জমা হোৱা মুছলমান সকলক পঠিয়াইছিল; হাজি সকলৰ সভাত সেয়া পঢ়ি শুনাই দিয়া হৈছিল আৰু মক্কা অঞ্চলৰ এমূৰৰ পৰা সিমূৰলৈ এই শব্দবোৰে তোলপাৰ লগাইছিল। তেতিয়া হজ্বলৈ গৈ জমা হোৱা মুছলমান সকলে সিদ্ধান্ত লৈছিল যে তেওঁলোকে হজ্বৰ পিছত জিহাদৰ নেকিৰ পৰা বঞ্চিত নেথাকিব আৰু মিচৰীয়া বিদ্ৰোহী সকল আৰু তেওঁলোকৰ লগৰীয়া সকলক মোহাৰি পেলাই উচিত শিক্ষা দিহে এৰিব। এনেতে বিদ্ৰোহী সকলৰ গুপ্তচৰ সকলে মুছলমান সকলৰ এই সিদ্ধান্ত সম্পৰ্কে তেওঁলোকক অৱগত কৰে আৰু যাৰ ফলত তেওঁলোকৰ কেম্পত আতংকই বিৰাজ কৰিছিল। ইমানেই যে তেওঁলোকৰ মাজত আলোচনা হ'বলৈ লৈছিল যে এতিয়া আৰু হজৰত উচমান (ৰাঃ)ক হত্যা কৰাৰ বাহিৰে আন কোনো উপায় নাই আৰু যদি তাক নকৰো তেন্তে আমাৰ যে মুছলমান সকলৰ হাতত প্ৰাণ যাব তাত কোনো সন্দেহ নাই। তেতিয়া সেই বিদ্ৰোহী সকলে হজৰত উচমান (ৰাঃ)ক হত্যা কৰাৰ উদ্দেশ্যে ঘৰত আক্ৰমণ চলাই জোৰপূৰ্বক ভিতৰলৈ সোমোৱাৰ চেষ্টা কৰে। চাহাবা সকলে ডাটি বাধা দিয়াত পৰস্পৰে তুমুল যুদ্ধ সংগঠিত হয়। হজৰত উচমান (ৰাঃ)য়ে যেতিয়া এই কাজিয়া সম্পৰ্কে গম পাইছিল তেতিয়া তেখেতে চাহাবা সকলক যুদ্ধ কৰিবলৈ মানা কৰিছিল। কিন্তু চাহাবা সকলে হজৰত উচমান (ৰাঃ)ক অকলে এৰি দিয়াটো ঈমানদাৰী বিৰুদ্ধ আৰু আনুগত্যৰ আদেশ অমান্য কৰা বুলি ধাৰণা কৰিছিল। অৱশেষত হজৰত উচমান (ৰাঃ)য়ে বাহিৰলৈ ওলাই আহি চাহাবা সকলক নিজৰ ঘৰৰ ভিতৰলৈ লৈ গৈছিল। তেখেত (ৰাঃ)য়ে সকলো চাহাবা আৰু তেওঁলোকৰ সহায়কাৰী সকলক আখেৰাতৰ সম্বল গোটাবলৈ নিৰ্দেশ দিছিল আৰু কৈছিল যে সেই চাহাবা সকলক মাতি আনা যি সকলক মোৰ ওচৰলৈ আহিব দিয়া হোৱা নাই। যেতিয়া সকলো লোক এঠাইত জমা হৈ গৈছিল তেতিয়া হজৰত উচমান (ৰাঃ)য়ে ঘৰৰ দেৱালত উঠি কৈছিল,তোমালোকে মোৰ ওচৰ চাপি আহা, যেতিয়া সকলোৱে ওচৰ চাপি আহিছিল; তেখেত (ৰাঃ)য়ে কৈছিল হে লোক সকল ! তোমালোকে বহি লোৱা। এই নিৰ্দেশ অনুযায়ী চাহাবা সকলে আৰু মজলিচৰ ভয়ানক অৱস্থা চাই বিদ্ৰোহী সকলেও বহি লৈছিল। যেতিয়া সকলো লোকেই বহি পৰিছিল তেতিয়া হজৰত উচমান (ৰাঃ)য়ে কৈছিল যে হে মদিনাৰ বাসিন্দা সকল ! মই তোমালোকক

খোদা তা'লাৰ হাতত সমৰ্পন কৰিলোঁ আৰু মই দোৱা কৰো যে খোদা তা'লাই যেন মোৰ পিছত তোমালোকৰ নিমিত্তে খিলাফতৰ কোনো উত্তম ব্যৱস্থা কৰি দিয়ে। আজিৰ পৰা মই সেই সময়লৈকে বাহিৰলৈ নোলাও যেতিয়ালৈকে খোদা তা'লা মোৰ সম্পৰ্কে কোনো সিদ্ধান্ত জাৰি নকৰে আৰু মই কাকো এনেকুৰা  অধিকাৰ দি নাযাও যে যাৰ জৰিয়তে তেওঁ দ্বীন আৰু দুনিয়াৰ ক্ষেত্ৰত তোমালোকৰ ওপৰত ৰাজত্ব (শাসন) কৰিব। এই বিষয়টো খোদা তা'লাৰ হাতত অৰ্পন কৰিলোঁ। সি যাকে বিচাৰে নিজৰ কাম চলাবলৈ নিৰ্বাচিত কৰিব। ইয়াৰ পিছত চাহাবা আৰু মদিনাৰ বাসিন্দা সকলক কছম দিছিল যে তেওঁলোকে এখেত (ৰাঃ)ৰ প্ৰাণ ৰক্ষাৰ্থে নিজৰ প্ৰাণ মহা বিপদৰ গৰ্ভত ঢালি দিব নালাগে আৰু নিজৰ নিজৰ ঘৰলৈ যাব লাগে। কিন্তু এনেকুৰা আদেশ দিয়া সত্ত্বেও হজৰত আলি (ৰাঃ) হজৰত তালহা (ৰাঃ),আৰু হজৰত জুবেৰ (ৰাঃ)ৰ পুত্ৰ সকলে নিজ পিতৃৰ আদেশ অনুসৰি হজৰত উচমান (ৰাঃ)ৰ ঘৰৰ কাষতেই বাহৰ পাতি আছিল আৰু নিজৰ নিজৰ তৰোৱাল খাপত আৱদ্ধ কৰা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তান আৰু আলজেৰিয়াৰ আহমদী সকলৰ বাবে দোৱাৰ তেহেৰিক কৰে আৰু খোতবা জুমাৰ শেষত হুজুৰ (আইঃ) য়ে মাননীয় মৌলবী মহম্মদ নজিব খান চাহাব (নায়েব নাজিৰ দাওৱাত ইলাল্লাহ জুনুবি হিন্দ কাদিয়ান) মাননীয় নজিৰ আহমদ খাদিম চাহাব, মাননীয় আলহাজ ডাক্তৰ নানা মোস্তফা আই টি বাটঙ্গ চাহাব অফ ঘানা আৰু মাননীয় গোলাম নবী চাহাব ইবনে ফজল দ্বীন চাহাব (ৰাৱোৰা) আদিৰ পৱিত্ৰ জীৱন চৰিত্ৰৰ চমু বৰ্ণনা কৰে নমাজে জুমাৰ পিছত মৰহুমিন সকলৰ নমাজে জানাজা গায়েব পঢ়ায়।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمکم اللہ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 5 MARCH 2021**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**